**1 SEM TDC ASM M 1**

**2016**

( November )

ASSAMESE

( Major )

Course : 101

( অসমীয়া সাহিত্যৰ বুৰঞ্জী )

*Full Marks* : 80

*Pass Marks* : 32 (Backlog) / 24 (2014 onwards)

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ প্ৰথম প্ৰণেতাজনৰ নাম লিখাঁ।

(খ) ফকৰা-যোজনা, প্ৰৱচন, সাধুকথা ইত্যাদি কোন শ্ৰেণীৰ সাহিত্য ?

(গ) প্ৰত্ন-অসমীয়াৰ প্ৰথম সাহিত্যিক নিদৰ্শন ক'ত পোৱা যায় ?

(ঘ) ৰুদ্ৰ কন্দলি কোন যুগৰ কবি ?

(ঙ) 'প্ৰহ্লাদ চৰিত্ৰ' কাৰ দ্বাৰা ৰচিত ?

(চ) শংকৰদেৱে ৰচনা কৰা নাটসমূহক কি নামেৰে জনা যায়?

(ছ) চৰিত পুথিসমূহ অসমীয়া সাহিত্যৰ কোনটো যুগত অন্তৰ্ভুক্ত?

(জ) অসমীয়া গদ্যসাহিত্যৰ জনক বুলি কাক আখ্যা দিয়া হয়?

২। (ক) 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' গ্ৰন্থত ড০ সত্যেন্দ্ৰনাথ শৰ্মাই অসমীয়া সাহিত্যৰ যুগবিভাগ কেনেদৰে কৰিছে, আলোচনা কৰা। ১৫

*অথবা*

(খ) অসমীয়া সাহিত্যৰ যুগবিভাজন সম্পৰ্কে ড০ মহেশ্বৰ নেওগ আৰু ড০ সত্যেন্দ্ৰনাথ শৰ্মাৰ পূৰ্ববৰ্তী পণ্ডিতসকলৰ মতামত সম্পৰ্কে এটি সম্যক ধাৰণা আগবঢ়োৱা।

৩। (ক) "লোকসাহিত্যৰ প্ৰধান ধাৰক আৰু বাহক হ'ল সাধাৰণ চহা লোকৰ স্মৃতি আৰু মুখ।" কথাষাৰৰ খেও ধৰি যি কোনো এক শ্ৰেণীৰ লোকসাহিত্যৰ বিষয়ে খৰচি মাৰি আলোচনা কৰা। ১৫

*অথবা*

(খ) অনুষ্ঠানমূলক লোকগীতসমূহৰ এটি পৰিচয়মূলক আলোচনা আগবঢ়োৱা।

৪। (ক) প্ৰাক্-শংকৰী যুগৰ শ্ৰেষ্ঠ কবিগৰাকীৰ চমু পৰিচয় দাঙি ধৰি তেওঁৰ সাহিত্যকৃতি সম্পৰ্কে আলোচনা কৰা। ৫+৯=১৪

*অথবা*

(খ) চৰ্যাপদৰ সাধাৰণ বৈশিষ্ট্যসমূহ আলোচনা কৰাঁ। ১৪

৫। (ক) "শংকৰী যুগৰ সাহিত্যৰাজিৰ প্ৰধান উদ্দেশ্য ধৰ্ম প্ৰচাৰৰ যোগেদি সমাজ সংস্কাৰ ...।" কথাষাৰৰ ভিত্তিত শংকৰদেৱৰ নাট্যসাহিত্যৰ পৰিচয়জ্ঞাপক এটি টোকা লিখাঁ। ১৪

*অথবা*

(খ) পাঁচালী কাব্যৰ যি কোনো এজন কাব্যকাৰৰ কাব্যকৃতি সম্পৰ্কে লিখাঁ।

৬। চমু টোকা লিখাঁ (যি কোনো দুটা) : ৭×২=১৪

(ক) বুৰঞ্জী সাহিত্য

(খ) ভট্টদেৱ

(গ) ৰামচৰণ ঠাকুৰ

(ঘ) ব্যৱহাৰিক সাহিত্য

★★★